# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 23-08-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দিনজোৰা ভ্ৰমণসূচীৰে ইউক্ৰেইনত উপস্থিত হ'ব।

২। প্ৰধানমন্ত্ৰী মোদীয়ে পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টাস্ক আৰু ৰাষ্ট্ৰপতি আণ্ড্ৰেজ ডুডাৰ সৈতে হোৱা বৈঠকেৰে দেশখনৰ ঐতিহাসিক ভ্ৰমণ সামৰিছে।

৩। সমগ্ৰ দেশত আজি প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হৈছে।

৪। অসম চৰকাৰে ১৯৩৫ চনৰ মুছলিম বিবাহ আৰু বিবাহ বিচ্ছেদ পঞ্জীয়ন আইন বাতিল কৰাৰ উদ্দেশ্যে কালি বিভানসভাত এখন বিধেয়ক উত্থাপন কৰে।

*আৰু*

৫। পেৰিছ অলিম্পিকত ৰূপৰ পদক বিজেতা নীৰজ চোপ্ৰাই চুইজাৰলেণ্ডত অনুষ্ঠিত লুজান ডায়মণ্ড লীগ প্ৰতিযোগীতাৰ পুৰুষৰ জেভলীন থ্ৰোত দ্বিতীয় স্থান দখল কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দিনজোৰা ভ্ৰমণসূচীৰে ইউক্ৰেইনত উপস্থিত হ'ব। ভ্ৰমণকালক শ্ৰী মোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলনস্কীৰ সৈতে আছুতীয়া আৰু প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব। এই বৈঠকত ইউক্ৰেইনৰ সংঘৰ্ষৰ সমাধান সূত্ৰ উলিওৱাৰ উপায়কলৈ আলোচনা হ'ব। সংঘৰ্ষজৰ্জৰ দেশখন ভ্ৰমণৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, ভাৰতে যুদ্ধৰ জৰিয়তে কোনো সমস্যাৰ সমাধান কৰিব পৰা নাযায় বুলি দৃঢ়তাৰে বিশ্বাস কৰে। তেওঁ লগতে ভাৰত অঞ্চলটোলৈ শান্তি-সুস্থিৰতা ঘূৰাই অনাৰ বাবে সম্ভাব্য সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াবলৈ সাজু বুলি মন্তব্য কৰে। পোলেণ্ড ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোদী কটকটীয়া সুৰক্ষাৰ মাজত ৰে'লেৰে ইউক্ৰেইনৰ ৰাজধানী কীভ অভিমুখে ৰাওনা হৈছে। তেওঁ প্ৰায় ১০ ঘণ্টা জোৰা যাত্ৰাৰ অন্তত কীভত উপস্থিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ইউক্ৰেইন ভ্ৰমণে দেশখনত যুদ্ধৰ অবসান ঘটোৱাত অৰিহণা যোগাব বুলি ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানে আশা প্ৰকাশ কৰিছে। সচিব প্ৰধানগৰাকীৰ মুখপাত্ৰ ষ্টিফান ডুজৰিকে এই কথা প্ৰকাশ কৰিছে। যুদ্ধ অব্যাহত থকাৰ মাজতে প্ৰধানমন্ত্ৰী মোদীৰ ইউক্ৰেইন ভ্ৰমণ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ডুজৰিকে কয় যে, কেইবাগৰাকীও ৰাষ্ট্ৰ প্ৰধান আৰু চৰকাৰ প্ৰধানে ইতিমধ্যে দেশখন ভ্ৰমণ কৰিছে আৰু তেওঁলোকৰ ভ্ৰমণে দেশখনত চলি থকা সংঘৰ্ষৰ অবসান ঘটোৱাত বিশেষ অৰিহণা যোগাব বুলি তেওঁ আশাবাদী।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টাস্ক আৰু ৰাষ্ট্ৰপতি আণ্ড্ৰেজ ডুডাৰ সৈতে হোৱা বৈঠকেৰে ঐতিহাসিক পোলেণ্ড ভ্ৰমণ সামৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, ৪৫ বছৰৰ পাছত এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীয়ে পোলেণ্ড ভ্ৰমণ কৰাৰ পৰিপ্ৰেক্ষিতত এই দিনটোৰে দুয়োখন দেশৰ সম্পৰ্কৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব বহন কৰিছে। তেওঁ লগতে পোলেণ্ডক ভাৰতৰ গুৰুত্বপূৰ্ণ বন্ধু বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে কৈছে যে, এই ভ্ৰমণে পোলেণ্ডৰ সৈতে সহযোগিতা সুদৃঢ়

কৰাৰ সুযোগ প্ৰদান কৰিছে। দেশ দুখনৰ মাজৰ বন্ধুত্বই এখন উন্নত পৃথিৱী গঢ়াত অৰিহণা যোগাব বুলি তেওঁ মন্তব্য কৰে। বিদেশ মন্ত্ৰালয়ে কৈছে যে, প্ৰধানমন্ত্ৰী মোদীৰ পোলেণ্ড ভ্ৰমণে দ্বিপাক্ষিক সম্পৰ্কত এটা নতুন মাইলৰ খুঁটি স্থাপন কৰিলে। বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধিৰ জয়ছোৱালে কৈছে যে, চাৰি দশকৰ পাছৰ প্ৰধানমন্ত্ৰী পৰ্যায়ৰ এই ভ্ৰমণে ভাৰত আৰু পোলেণ্ডৰ মাজৰ সম্বন্ধ অধিক গভীৰ কৰি তুলিলে। পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টাস্কৰ সৈতে হোৱা আলোচনাৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী মোদীয়ে কয় যে, ইয়াৰ পূৰ্বে ১৯৭৯ চনত এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী পোলেণ্ডলৈ গৈছিল। আনহাতে শ্ৰী টাস্কে দেশ দুখনৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭০ সংখ্যক বাৰ্ষিকীৰ প্ৰাক ক্ষণত প্ৰধানমন্ত্ৰী মোদীক অভ্যৰ্থনা জনাবলৈ পাই নিজকে ধন্য মানিছে।

শ্ৰী মোদীয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত পোলেণ্ডৰ কোম্পানীসমূহক বিশ্ববাসীৰ বাবে সামগ্ৰী উৎপাদন কৰিবলৈ ভাৰতৰ মেক ইন ইণ্ডিয়া অভিযানত যোগ দিয়াৰ বাবে আহ্বান জনায়। আলোচনাৰ অন্তত ভাৰত আৰু পোলেণ্ডে উভয় দেশৰ মাজৰ সম্পৰ্ক কৌশলগত সহযোগিতালৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদী আৰু পোলেণ্ডৰ ৰাষ্ট্ৰপতি আন্দ্ৰেজ ডুডাই খাদ্য প্ৰ-সংস্কৰণ, কৃত্ৰিম বুদ্ধিমত্তা, শক্তি আৰু আন্তঃগাঁথনিকে ধৰি বিভিন্ন ক্ষেত্ৰত দুয়ো দেশৰ মাজৰ সহযোগিতা সুদৃঢ় কৰাৰ বিষয়ে আলোচনা কৰে।

প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত প্ৰফেছাৰ মাৰীয়া ক্ৰিষ্টোফাৰ বায়ৰ্স্কী, প্ৰফেছাৰ মনিকা ব্ৰোৰাৰ্জিক আৰু প্ৰফেছাৰ প্ৰেজেমিস্লাৰ মিচলাৰ স্যুৰেক সহ ভাৰতৰ ইতিহাস, সাহিত্য আৰু দৰ্শনৰ অধ্যয়ন কৰা পোলেণ্ডৰ বিশিষ্ট ব্যক্তিসকলক সাক্ষাৎ কৰে। তেওঁ একাংশ আগশাৰীৰ ব্যৱসায়ীৰ সৈতেও মত বিনিময় কৰে।

ooooo

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি গুজৰাটৰ গান্ধীনগৰ আৰু আহমেদাবাদ ভ্ৰমণ কৰিব। দিনজোৰা এই ভ্ৰমণৰ সময়ছোৱাত উপৰাষ্ট্ৰপতি গৰাকীয়ে গান্ধী নগৰৰ ৰাষ্ট্ৰীয় ফৰেনচিক বিজ্ঞান বিশ্ববিদ্যালয়ত শিক্ষাৰ্থী তথা শিক্ষক-কৰ্মচাৰীসকলক সম্বোধন কৰিব। ইয়াৰ পাছত শ্ৰী ধনখড় গুজৰাট বিশ্ববিদ্যালয়ৰ ধৰ্ম ধম্মা আন্তঃৰাষ্ট্ৰীয় সন্মিসনত অংশ ল'ব। অনুষ্ঠানত গুজৰাটৰ ৰাজ্যপাল আচাৰ্য দেৱব্ৰত আৰু মুখ্যমন্ত্ৰী উপেন্দ্ৰ পেটেলো উপস্থিত থাকিব।

ooooo

সমগ্ৰ দেশত আজি প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ ভাৰত মণ্ডপমত হবলগীয়া এই দিৱসৰ মূল অনুষ্ঠান মুকলি কৰিব। এইবেলি এই দিৱসৰ মূল বিষয়বস্তু হৈছে Touching Lives while Touching the Moon: India's Space Saga অৰ্থাৎ চন্দ্ৰপৃষ্ঠৰ লগতে জীৱনকো স্পৰ্শ কৰা ঃ ভাৰতৰ মহাকাশ যাত্ৰা। এই বিষয়বস্তুৱে সমাজ আৰু প্ৰযুক্তিৰ ওপৰত মহাকাশ অন্বেষণৰ গভীৰ প্ৰভাৱক প্ৰতিফলিত কৰিছে। ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে ৰাষ্ট্ৰপতিয়ে ৰ'বটিক্স প্ৰতিযোগিতা আৰু ভাৰতীয় মহাকাশ হেকাথনৰ বিজয়ীসকলক সন্মানিত কৰিব। যোৱা বছৰ আজিৰ দিনটোতে চন্দ্ৰযান-৩ অভিযানৰ বিক্ৰম নামৰ লেণ্ডাৰখনে চন্দ্ৰপৃষ্ঠত নিৰাপদ আৰু মসৃণ অৱতৰণ কৰিছিল। এই সাফল্যৰ জৰিয়তে ভাৰত চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰা বিশ্বৰ চতুৰ্থখন আৰু চন্দ্ৰপৃষ্ঠৰ দক্ষিণ মেৰুত অৱতৰণ কৰা প্ৰথমখন ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছে।

ইয়াৰ পাছতে চন্দ্ৰযান-৩ অভিযানৰ লেণ্ডাৰ যানখনে অৱতৰণ কৰা চন্দ্ৰপৃষ্ঠৰ ঠাইখিনি শিৱ শক্তি পইণ্ট নামেৰে নামকৰণ কৰা হৈছিল আৰু ২৩ আগষ্টৰ দিনটো ৰাষ্ট্ৰীয় মহাকাশ দিৱস হিচাপে ঘোষণা কৰা হৈছিল। ৰাষ্ট্ৰীয় মহাকাশ দিৱসে মহাকাশ অন্বেষণত লাভ কৰা অসাধাৰণ সাফল্যক স্বীকৃতি প্ৰদান কৰে আৰু মহাকাশ প্ৰযুক্তিৰ অগ্ৰগতিত আলোকপাত কৰে। ভাৰতে ১৯৬০ৰ দশকত মহাকাশ গৱেষণা আৰম্ভ কৰিছিল আৰু তেতিয়াৰে পৰা প্ৰযুক্তিৰ বিকাশেৰে ক্ষেত্ৰখনত যথেষ্ট আগ্ৰগতি লাভ কৰিছে।

ooooo

অসম চৰকাৰে ১৯৩৫ চনৰ মুছলিম বিবাহ আৰু বিবাহ বিচ্ছেদ পঞ্জীয়ন আইন বাতিল কৰাৰ উদ্দেশ্যে কালি বিভানসভাত এখন বিধেয়ক উত্থাপন কৰে। ৰাজহ মন্ত্ৰী যোগেন মহনে বিধানসভাত অসম বাতিলকৰণ বিধেয়ক ২০২৪ উত্থাপন কৰে। এই বিধায়কখনে অসম বাতিলকৰণ অধ্যাদেশ ২০২৪ৰ ঠাই ল'ব। ইয়াৰ পূৰ্বে ৰাজ্যিক মন্ত্ৰীসভাই ২১ আগষ্টত ইছলামধৰ্মী লোকসকলৰ বিবাহ প্ৰতিষ্ঠান

সুদৃঢ় কৰা আৰু চৰকাৰক বিবাহ পঞ্জীয়ন তথা বিবাহ বিচ্ছেদ পঞ্জীয়নৰ কৰ্তৃত্ব প্ৰদানৰ লগতে বাল্য বিবাহ ৰোধ কৰাৰ উদ্দেশ্যে অসম বাধ্যতামূলক পঞ্জীয়ন বিধেয়ক উত্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছিল।

ooooo

গণৰাজ্য দিৱস উপলক্ষে ঘোষণা হ'বলগীয়া পদ্ম বঁটা ২০২৫ৰ মনোনয়ন দাখিল প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰলৈকে মুকলি ৰখা হৈছে। আবেদনকাৰীসকলে ৰাষ্ট্ৰীয় বঁটা প'ৰ্টেল Awards.gov.inত গৈ মনোনয়ন দাখিল কৰিব পাৰিব। ১৯৫৪ চনৰ পৰা প্ৰতি বছৰে গণৰাজ্য দিৱসত ভিন্ন ক্ষেত্ৰত উল্লেখনীয় কামৰ বাবে প্ৰদান কৰা পদ্ম বঁটা দেশৰ সৰ্বোচ্চ অসামৰিক সন্মানৰ ভিতৰত অন্যতম। শিল্প-সাহিত্য, ক্ৰীড়া, শিক্ষা, চিকিৎসা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, ৰাজহুৱা কাম, অসামৰিক সেৱা, ব্যৱসায়, উদ্যোগ আদি ক্ষেত্ৰত অসাধাৰণ কৃতিত্বৰ বাবে এই বঁটা প্ৰদান কৰা হয়।

ooooo

পেৰিছ অলিম্পিকত ৰূপৰ পদক বিজেতা নীৰজ চোপ্ৰাই চুইজাৰলেণ্ডত অনুষ্ঠিত লুজান ডায়মণ্ড লীগ প্ৰতিযোগীতাৰ পুৰুষৰ জেভলীন থ্ৰোত দ্বিতীয় স্থান দখল কৰিছে। নীৰজে চলিত বৰ্ষৰ সৰ্বশ্ৰেষ্ঠ ৮৯ দশমিক ৪-৯ মিটাৰলৈ জেভলীন দলিয়াই এই কৃতিত্ব অৰ্জন কৰে। পিটাৰ্ছ এণ্ডাৰছনে ৯০ দশমিক ৬-১ মিটাৰলৈ জেভলীন দলিয়াই প্ৰথম স্থান দখল কৰে। জাৰ্মানীৰ জুলিয়ান ৱেবাৰে ৮৭ দশমিক ০-৮ মিটাৰৰ প্ৰদৰ্শনেৰে তৃতীয় স্থানত থাকে।

ooooo

খেল' ইণ্ডিয়া অস্মিতা উশ্বু লীগৰ পশ্চিম মণ্ডলৰ খেলসমূহ কাইলৈৰ পৰা উত্তৰ প্ৰদেশৰ মিৰাটৰ গডৱিন পাব্লিক স্কুলত অনুষ্ঠিত হ'ব। ৪ দিনীয়া এই প্ৰতিযোগিতাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। এই ক্ৰীড়া প্ৰতিযোগিতাৰ উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, ৰাজস্থান আৰু গুজৰাটকে ধৰি পশ্চিম মণ্ডলৰ ৰাজ্যসমূহৰ মহিলা এথলিটসকল অংশগ্ৰহণ কৰিব। খেল' ইণ্ডিয়া মহিলা লীগৰ অফিচিয়েল ইউটিউব চেনেলত প্ৰতিযোগিতাৰ খেলসমূহ পোনপটীয়াকৈ প্ৰত্যক্ষ কৰিব পৰা যাব।

ooooo

সমাপ্ত